# শ্ৰীকৃষ্ণ-গীতা (গোবিন্দ মিশ্ৰ ভণিত)

## অষ্টাদশ অধ্যায়

হৰি বোল হৰি বোল মাধৱ ৰাম ||
ঝুনা
ৰহস্য ভক্তিৰ কহো সাধনে |
মোক হৃদি ধৰি নেৰিবা মনে ||
মইসে জানিবা পৰম গতি |
এহি জানি কৰা দৃঢ় ভকতি || ১২০
মোকেসে ভজিবা পূজিবা নিত্য |
মোৰ নাম লৈবা একাগ্ৰ চিত্ত ||
কৰি দণ্ডৱত পৰি লুটিয়া |
ভয় লাভ দুয়ো যাইব লুটিয়া || ১২১
যদি যাহা তুমি গ্ৰাম সমাজে |
মোহোৰ স্মৰণ নেৰিবা লাজে ||
[...]
এক-শৰণ তত্ত্ব
যিখানি গীতাৰ সমস্ত অৰ্থ |
শুনা সখি হেৰা কহিলে তথ্য || ১২৬
অতিগুহ্যৰ কহো প্ৰত্যেক |
সব এৰি হৈবা শৰণ এক ||

সমস্ত ধৰ্ম সবে পৰিহৰা ।
দৃঢ় মোত মাত্ৰ বিশ্বাস কৰা ॥ ১২৭
যাহাক শৰণ এক বোলয় ।
তাৰ তত্ব কহো শুনা নিৰ্ণয় ॥
কেৱল কৃষ্ণত শৰণ লই ।
ঈশ্বৰ ভজিয়া তৰিবো মই ॥ ১২৮
মোক ভজে মাত্ৰ এৰি সকলে ।
শৰণ যে এক ইহাক বোলে ॥
মোত দৃঢ় কৰি মন সন্তোষে ।
নপাৰে বিধি নিষেধৰ দোষে ॥ ১২৯
যদি বোলা ধৰ্ম্ম এৰিলে পাপ ।
তাহাৰ নিমিত্তে নকৰা তাপ ॥
যিটো এক মোত শৰণ হোৱে ।
জন্ম কোটি পাপ ভষ্মক পাৱে ॥ ১৩০
মোহোক ভজিলে কাহাত ভয় ।
সমস্ত পাতক তৰাইবো মই ॥
সৰ্ব্ব ধৰ্ম্ম এৰি হৰি ভজনে ।
শুনিয়া পণ্ডিত আশ্চৰ্য্য মানে ॥ ১৩১
যেবেসে ধৰ্ম্মক এৰয় নৰ ।
কোন যে পাপ আছে তাত পৰ ॥
বোলে প্ৰলোভ বাক্য কৃষ্ণৰ ।

এহি বুলি বিশ্বাস নকৰে নৰ || ১৩২
যদি শাস্ত্ৰ পঢ়ি আছে সাক্ষাত |
স্বৰূপত নিজিজ্ঞাসয় তত্ব ||
তপ জপ যজ্ঞ দান চিন্তন |
দৃঢ় বিশ্বাসৰ সবে সাধন || ১৩৩
মোহোত নভজে সবে একান্ত |
পঢ়িয়া শাস্ত্ৰক হোৱে বিভ্ৰান্ত ||
যদি শাস্ত্ৰ জ্ঞানে অৰ্থক পাই |
তথাপি মোহোত বিশ্বাস নাই || ১৩৪
আৰো মায়া মোহ আছে জগত |
এতেকে মোহোৰ নজানে তত্ব ||
কহিলো তোমাত সাৰ পূৰ্ব্বত |
দ্বিতীয় তৃতীয় অধ্যায়ত || ১৩৫
ব্যৱসায়াত্মিকা যাহাক বোলে |
সৰ্ব্ব ধৰ্ম্ম এৰি ভজা সকলে ||
দুয়ো বাক্য এক জানিবা তত্ব |
হেৰা অষ্টাদশ কৈলো বেকত || ১৩৬
মোত যাৰ ভৈল বিশ্বাস দৃঢ় |
সেহিসে জানিবা পণ্ডিত বৰ ||
প্ৰিয় বুলি মাত্ৰ মোকেসে মানে |
মোহোৰ স্বৰূপ সেহিসে জানে || ১৩৭

সকলো ভক্তিৰ এখানে সাৰ |
বিশ্বাস দৃঢ় পৰে নাহি আৰ ||
যিখানি আছিল ৰহস্য ভাগ |
প্ৰিয় ভক্ত বুলি কহিলো তাক || ১৩৮
কহয় মিশ্ৰ যে বিপ্ৰ গোবিন্দ |
পুনৰপি বন্দো পদাৰবিন্দ ||
ধৰিবো চৰণে মনত কৰি |
ডাকি চাৰি সবে বুলিয়ো হৰি || ১৩৯